জিলা উপায়ুক্ত সকলৰ সৈতে 'জলজীৱন মিছন' সন্দৰ্ভত মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ গুৰুত্বপূৰ্ণ ভিডিঅ' কনফাৰেন্স

গুৱাহাটী,১৩ জুলাই : জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি জনতা ভৱনৰ পৰা জিলা উপায়ুক্ত সকলৰ সৈতে ভিডিঅ' কনফাৰেন্সৰ যোগে জলজীৱন মিছনৰ সন্দৰ্ভত এক পৰ্যালোচনা সভাত অংশ লয় । মন্ত্ৰী দাসে জিলা সমূহত ৰূপায়ণ হৈ থকা জলজীৱন মিছনৰ কাম-কাজ পৰ্যালোচনা কৰি জিলা উপায়ুক্ত সকলক নিজ নিজ জিলাত প্ৰতিদিনে কিমান সংখ্যক পানী যোগান আঁচনিৰ সংযোগ প্ৰদান কৰিছে তাৰ সঠিক তথ্য প্ৰদান কৰিবলৈ নিৰ্দেশ দিয়ে । এই তথ্য সমূহৰ ওপৰত ভিত্তি কৰি সমগ্ৰ অসমত এদিনত মুঠ কিমান সংখ্যক বিশুদ্ধ খোৱাপানীৰ সংযোগ দিয়া হ'ল, তাক এতিয়াৰে পৰা নিৰীক্ষণ কৰা হ'ব বুলি তেওঁ কয় । তেওঁ লগতে কয়, "জলজীৱন মিছন আঁচনি" হয়তো এদিন সমাপ্ত হ'ব, কিন্তু ইয়াক আগ্ৰহ আৰু আন্তৰিকতাৰে লালিত-পালিত কৰি গ্ৰাম্য জনসাধাৰণ আৰু পঞ্চায়তৰ প্ৰতিনিধি সকলে পৰিচালনা কৰি থাকিব লাগিব। যিহেতু "জলজীৱন মিছন"কেৱল পানী যোগান আঁচনিয়েই নহয় এইয়া এক বিশুদ্ধ খোৱা পানী যোগান আঁচনি। জনসাধাৰণ আৰু পঞ্চায়ত প্ৰতিনিধি সকলৰ মাজত জল জীৱন মিছন সন্দৰ্ভত অধিক সজাগতাৰ সৃষ্টি কৰিবৰ বাবে জিলা উপায়ুক্ত সকলক মন্ত্ৰী গৰাকীয়ে নিৰ্দেশ দিয়ে । ইয়াৰ লগতে, জল জীৱন মিছনৰ অধীনৰ আঁচনিসমূহ সফল ৰূপায়ণ কৰিবৰ বাবে বিভাগীয় বিষয়াসকলৰ লগত জিলাভিত্তিক ঠিকাদাৰসকলৰ এখনি সভা অনুষ্ঠিত কৰিবলৈ উপায়ুক্ত সকলক মন্ত্ৰী দাসে অনুৰোধ জনায় ।

আজিৰ এই ভিডিঅ কনফাৰেন্সত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অতিৰিক্ত মুখ্য সচিব এছ, আব্বাছী, আয়ুক্ত সচিব আকাশদ্বীপ, মুখ্য অভিযন্তা বিশ্বদ্বীপ দাসৰ লগতে প্ৰতিখন জিলাৰ উপায়ুক্ত, জনস্বাস্থ্য বিভাগৰ কাৰ্যবাহী অভিযন্তাসকল আৰু বিটিআৰ, ডিমা হাচাও আৰু কাৰ্বি আংলঙৰ প্ৰধান সচিব আৰু সচিবসকলেও অংশ লয় ।

-------------------------

ৰ:সা / ১৩-০৭-২০২১